# Systemic Lupus Erythematosus

# ছিষ্টেমিক লিউপাছ ইৰিথিমেট’চাচ

IRA Committee on patient Education

ভাৰতীয় ৰিউমেটল’জী সন্থাৰ ৰোগী শিক্ষা সমিতি

*Assamese Translation by:*
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

*অসমীয়া অনুবাদ ঃ*
ডাঃ সঞ্জীৱ কাকতি
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্রুগড়

## এছ. এল. ই. (SLE) কি?

এছ. এল. ই. এবিধ স্বপ্রতিৰোধী ৰোগ যাক চমুকৈ লিউপাছ বুলিও কোৱা যায়, যি দেহৰ বিভিন্ন অংগ আক্ৰান্ত কৰে আৰু সাধাৰণতে মহিলাসকলৰ সন্তান জন্ম দিব পৰা বয়সত (Childbearing age) এই ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা যায়। দেহৰ প্ৰতিৰোধ ব্যৱস্থাই সাধাৰণতে আমাক ৰোগৰ সংক্ৰমণৰ পৰা ৰক্ষা কৰে, কিন্তু লিউপাছৰ দৰে ৰোগত ই শৰীৰৰ নিজা কলাসমূহক আক্ৰমণ কৰে। লক্ষণসমূহ নিৰ্ভৰ কৰে আক্ৰান্ত হোৱা অংগসমূহৰ ওপৰত, যেনে— গাঁঠি, ছাল, বৃক্ক, মস্তিস্ক আদি।

## লিউপাছত কি হয়?

ভাগৰ লগা, গাঁঠিৰ বিষ আৰু ছালত ৰঙা দাগ পৰা (rash) সাধাৰণতে দেখা যায়। দেহৰ যিবোৰ অংশত সূৰ্যৰ ৰশ্মি পৰা অংশসমূহ ৰঙা (rash) হৈ উঠে। মুখমণ্ডলত হোৱা এক বিশেষ ৰঙা দাগ (Butterfly rash), মুখৰ ভিতৰত হোৱা ঘা, চুলি সৰা আৰু গাঁঠিৰ বিষ সাধাৰণতে দেখিবলৈ পোৱা যায়। তদুপৰি দেহৰ অন্যান্য আভ্যন্তৰীণ অংগ-প্ৰত্যংগ সমূহতো বিভিন্ন সমস্যাই দেখা দিব পাৰে, যেনে— বৃক্ক (পেস্ৰাৱত প্ৰ’টিন, উচ্চ ৰক্তচাপ ইত্যাদি), মস্তিস্ক (অস্বাভাৱিক আচৰণ, বিষন্নতা, মূৰ্চা যোৱা, পক্ষাঘাত), হৃদপিণ্ড, হাওঁফাওঁ, ৰক্ত (ৰক্তহীনতা, প্লেটিলেট কমি যোৱা, অস্বাভাৱিক ৰক্তক্ষৰণ বা তেজ গোট মৰা) আৰু দেহৰ অন্যান্য প্ৰক্ৰিয়াসমূহতো এই ৰোগৰ প্ৰভাৱ পৰিব পাৰে।

## লিউপাছ কাৰ হয়?

পুৰুষতকৈ মহিলাৰ ক্ষেত্ৰত এই ৰোগ ৯ গুণ বেছিকৈ হোৱা দেখা যায়। যুৱতীসকলৰ মাজত ইয়াৰ প্ৰাদুৰ্ভাৱ বেছি। কাচিৎ এই ৰোগে শিশুসকলকো আক্ৰান্ত কৰে। এয়া কিয় হয় প্ৰকৃততে জানিব পৰা নাই।

## লিউপাছ কিয় হয়?

দেহৰ প্ৰতিৰোধী ব্যৱস্থাক এখন ৰাজ্যৰ সৈন্য-বাহিনীৰ সৈতে তুলনা কৰিব পাৰি, যিয়ে আমাৰ দেহৰ বাহিৰৰ পৰা প্ৰৱেশ কৰা যিকোনো ৰোগ সৃষ্টিকাৰী পদাৰ্থক বিদেশী শত্ৰুৰ দৰে গণ্য কৰি তাক নিৰ্মূল কৰি আমাক ৰক্ষা কৰে। লিউপাছত এই প্ৰতিৰোধী ব্যৱস্থাটো অস্বাভাৱিক হৈ পৰে আৰু নিজৰ দেহৰ কলাবোৰকে নিজৰ বুলি চিনাক্ত কৰাত বিফল হয় আৰু ইয়াক আক্ৰমণ কৰে। ইয়াৰ সম্ভাব্য কাৰণ হৈছে— পাৰিপাৰ্শ্বিকতা (Environmental), হৰমোন সম্বন্ধীয় (Hormonal) আৰু বংশানুগত (Genetic) কাৰকৰ সংযোজন। লিউপাছ সংক্ৰামক ৰোগ নহয় আৰু পোনপটীয়াভাৱে পিতৃ-মাতৃৰ পৰা সন্তানলৈ প্ৰবাহিত নহয়, যিকি নহওক পিতৃ-মাতৃৰ পৰা বংশানুক্ৰমে প্ৰবাহিত হোৱা কিছুমান জিনে (Gene) এই ৰোগ আৰম্ভ হোৱাত অৰিহণা